بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ    نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ    وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জু'মা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৬ চনৰ ২৬ আগষ্টত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

আল্লাহ তায়লা পৃথিৱীৰ বিভিন্ন দেশৰ বাসিন্দা সকলৰ হৃদয়ত আহমদীয়াতৰ প্ৰতি চেতনা উদ্ভাসিত কৰি আছে। কিছুমানক সত্য সপোনৰ জৰিয়তে আহমদীয়াতৰ সত্যতা প্ৰমাণিত কৰিবলৈ লৈছে। কৰবাত কোনো কিতাপ অথবা লিটাৰেচাৰ আদি তবলিগৰ কাম সম্পন্ন কৰিছে। কোনোবা ঠাইত আকৌ আহমদীয়াতৰ প্ৰৱল বিৰুধীতাই আহমদীয়াত প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰাত মুল্যবান ভুমিকা গ্ৰহন কৰিছে। আকৌ কোনো কোনো ঠাইত আহমদী সকলৰ চৰিত্ৰ আৰু কোমল আচৰণে আহমদীয়াতৰ প্ৰতি মানুহৰ মনযোগ আকৰ্ষণ কৰিব পাৰিছে।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; বৃটিইনৰ জলছাৰ দ্বিতীয় দিনা আল্লাহ তায়লাৰ পৰা বৰ্ষিত হোৱা দয়া আৰু কল্যাণ সম্পৰ্কে আলোচনা হয়। এই আলোচনাত আৰু অন্যান্য সম্পৰ্কিত বিষয় সম্পৰ্কেও আলোচনা হয় লগতে জমাতৰ উন্নতি সমুহ সম্পৰ্কেও এটা খতিয়ন দাঙি ধৰা হয়। মই সেই বিষয় সমুহৰ সৈতে সম্পৰ্কিত কিছুমান ঘটনা বৰ্ণাবলৈ লৈছো। কিন্তু এইবোৰ বিষয় সম্পৰ্কে দুই, এক ঘণ্টাত বৰ্ণনা কৰা সম্ভৱ নহয়। কেৱল জাননী পঢ়ি শুনালেও শেষ কৰিব নোৱাৰি। তেহেৰিকে জাদিদ বিভাগৰ পৰা এই বিষয় সন্দৰ্ভত কিতাপ আকাৰে ছপা কৰি উলিয়াৱলৈ লৈছে। এই সম্পৰ্কে মই বিভিন্ন সময়ত বৰ্ণনা কৰি থাকো আজিও কিছুমান ঘটনা বৰ্ণনা কৰিবলৈ লৈছো। ইয়াৰ পৰা আমি বুজিব পাৰিম যে কেনেদৰে আল্লাহ তায়লা পৃথিৱীৰ বিভিন্ন দেশৰ বাসিন্দা সকলৰ হৃদয়ত আহমদীয়াতৰ প্ৰতি চেতনা উদ্ভাসিত কৰি আছে। ইয়াৰ মাজত এনেকুৱা ঘটনাও আছে যে দুৰণীৱটীয়া দেশসমুহৰ বাসিন্দা সকলৰ হৃদয়ত আচৰিত ভাৱে আহমদীয়াতৰ প্ৰতি বিশ্বাসৰ দৃশ্য পৰিস্ফুটিত হৈ আছে। আহমদী ল'ৰা, ছোৱালীৰ আচাৰ আচৰণত লগৰীয়া অ-আহমদী ল'ৰা ছোৱালীৰ আচৰণতো দ্ৰুত পৰিবৰ্ত্তন সাধিত হৈ আছে। মুঠতে ক'ব পাৰি যে সমুচিত দৃষ্টিৰে লক্ষ্য কৰিলে এয়া অনস্বীকাৰ্য্য যে নিঃসন্দেহে আমি এটা নিজামৰ দ্বাৰা সমাবৃত হৈ প্ৰকৃত ইছলামৰ বাৰ্তা সকলোকে দিবলৈ চেষ্টা চলাই আছো। কিন্তু আহমমীয়াতৰ উন্নতি আমাৰ চেষ্টা আৰু সা-সৰঞ্জামৰ জৰিয়তে নহয় বৰং আল্লাহ তায়লাৰ কৃপাত হে আগবাঢ়িছে।

ঘিনিকোনাকৰৰ মোবাল্লিগ চাহাবে লিখিছে যে; জমাতৰ পৰিচয়ত ছপোৱা দুপৃষ্টা যুক্ত লিফলেটচ্ খোদা তায়লাৰ কৃপাত উক্ত দেশখনৰ চুকে কোনে বিতৰণ কৰা হৈছে। দেশৰ দুৰদুৰণী অঞ্চলৰ পৰা আমি ফোন ক'ল পাই আছো। তেওঁলোকে জনাই আছে যে আমি আমাৰ বুজুৰ্গ সকলৰ পৰা ইমাম মাহদী সম্পৰ্কে শুনিবলৈ পাইছো। এতিয়া আপোনালোকৰ লিফলেটচ্ পঢ়ি আপোনালোকৰ সৈতে মিলিবলৈ মন গৈছে কাৰণ আমাৰ অনুমান হয় যে উম্মতে মুছলিমাৰ বাবে সংস্কাৰকৰ অতি প্ৰয়োজন হৈ পৰিছে। আল্লাহ তায়লাৰ কৃপাত অসংখ্য লোকৰ সৈতে আমাৰ সংযোগ স্থাপন হৈ আছে আৰু তেওঁলোকে বয়াত গ্ৰহন কৰি জমাতৰ অন্তৰ্ভূক্ত হৈ আছে। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আমাৰ লিফলেটচ্ সমুহ কেৱল লোকক আমালোকৰ ঠিকনাৰ সন্দান দিয়ে । কিন্তু আল্লাহ তায়লা মানুহৰ হৃদয় প্ৰস্তুত কৰি তোলে আৰু ইয়াৰ মাজত থকা বিবেকবান সকলে উপলব্দি কৰিব পাৰে যে যুগ পৰিস্থিতিয়ে এজন সংস্কাৰক (মছিহ মেহেদি)ৰ অতি প্ৰয়োজন ব্যাক্ত কৰি আছে। কোনে ক'ব পাৰিব যে এই দুৰনীৱটীয়া অঞ্চলত কাৰ প্ৰভাৱত মানুহে আহমদীয়াত গ্ৰহন কৰিবলৈ লৈছে ? যিয়েই নহওক এয়া একমাত্ৰ আল্লাহ তায়লাৰ কাম মাত্ৰ মানৱৰ প্ৰচেষ্টাত তাৰ শক্তিয়ে একছত্ৰি বাবে কাম কৰি আছে।তানজানিয়াৰ টুডুমা চহৰৰ মোবাল্লিগ জনে লিখিছে যে- কোৰান কৰিমৰ প্ৰৰ্দশনী ষ্টলত ত্ৰজনী মহিলা আহি আচৰিত হৈ সুধিলে যে ত্ৰইটো মুছলমান সকলৰ ষ্টল হয়নে ?তাৰ পিছত তাই লাহে লাহে কিতাপ চাবলৈ ধৰিলে।অৱশেষত ত্ৰখন কিতাপ কিনি লৈ গল, যিখন কিতাপত ঈছাইয়ত সম্পৰ্কে বৰ্ণনা আছে। ত্ৰদিন পিছত মহিলাজনীয়ে তাইৰ গিৰিয়েকৰ সৈতে আমালোকৰ ষ্টলত উপস্থিত হয়, সেই দিনা দুয়োজনেই ARMY UNIFORM পিন্ধাআছিল ।মহিলাজনীয়ে কবলৈ ধৰিলে ত্ৰইজন মোৰ স্বামি।আজি বহুদিন হল আমি দুয়ো বিয়া কৰাইছো।মই মুছলমান আৰু ত্ৰখেত ঈছাই।মই বহুদিন ধৰি চেষ্টা কৰি আছিলো যে মোৰ গিৰিয়েকক ইছলামী শিক্ষা সম্পৰ্কে অৱগত কৰাই মুছলমান বনাও কিন্তু

কতো মই ইছলামী শিক্ষা সম্পৰ্কে জানিবলৈ সুবিধা পোৱা নাছিলো । যোৱা কালি মই যেতিয়া আপোনা লোকৰ বুক ষ্টলত আহিছিলো তেতিয়া অনুমান হৈছিল যে মই ঠিক ঠাইতে আহি পাই ছো ।আপোনা লোকৰ ষ্টলৰ পৰা কালি লৈ যোৱা কিতাপখনৰ পৰা মোৰ গিৰিয়েকে বহুত কেইটা প্ৰশ্নৰ উত্তৰ বুজিব পাৰিছে । তাৰ পিছত বহু সময়লৈকে মোবাল্লিগ চাহাবৰ সৈতে জমাত সম্পৰ্কে আলোচনা বিলোচনা কৰাৰ পিছত দুয়ো বয়াত গ্ৰহন কৰি আহমদীয়তৰ অন্তৰ্ভুক্ত হয় । হুযুৰ আনোৱাৰ ( আইঃ)য়ে-কয় যে মহিলাজনীয়ে নিজৰ পতিক ইছলাম গ্ৰহন কৰোৱাবলৈ প্ৰবল আগ্ৰহ থকাৰ বাবেই আল্লাহ তায়লা এইফালে টানিছিল আৰু হঠাতে আহি আমালোকৰ ষ্টলত উপস্থিত হৈছিল আৰু আল্লাহ তায়লা দুয়োজনকে প্ৰকৃত ইছলামত অৰ্ন্তভুক্ত হোৱাৰ সামৰ্থ্য দান কৰিছে ।

হাৰ্চ ফিল্ডৰ এজন মোবাল্লিগে লিখিছে যে-ইয়াত বহুত মানুহেই ইছলাম সম্পৰ্কে জানিব বিচাৰে ।ওৱানজলে টাউনত লিফলেটচ বিতৰন কৰা হৈছে । যাৰ ফলস্বৰূপে সিহঁতৰ লগত সম্পৰ্ক স্থাপন হৈছে ।কিছুদিন পিছত তাৰ পৰা পঞ্চাচ জনমান পুৰুষ মহিলা হাৰ্চফিল্ডৰ মছজিদলৈ আহে ।দুই ঘণ্টা ব্যাপি সিহঁতৰ লগত ইছলাম সম্পৰ্কে প্ৰগ্ৰাম আকাৰে আলোচনা হয় আৰুআহমদীয়ত সম্পৰ্কে অৱগত কৰা হয় ।এই অনুষ্টানত প্ৰশ্ন আৰু তাৰ উত্তৰৰ অৱতাৰনাও ঘটে ।হুযুৰ আনোৱাৰ( আইঃ )য়ে কয় যে-লোক নিজে নিজে অহা আৰু ইছলাম সম্পৰ্কে মনযোগ দিয়াটো এটা গুৰুত্ব পুৰ্ণ বিষয় যে আল্লাহ তায়লা প্ৰত্যেক ঠাইতেই মানুহৰ হৃদয়ৰ সংযোগ মাধ্যম কাৰ্য্যকৰী কৰি তুলিবলৈ লৈছে ।

আকৌ আমি দেখিবলৈ পাও যে দুৰদুৰণীৰ বাসিন্দা সকলক আল্লাহ তায়লা কেনে দৰে ঈমানৰ ক্ষেত্ৰত দৃঢ় ভাবে প্ৰতিষ্ঠিত কৰিছে আৰু ত্যাগৰ অনুৰাগৰ জন্ম দিছে । বেনিনৰ আমিৰ চাহাবে লিখিছে যে আল্ডাৰাজিনৰ এক জমাত ছকুত এই বছৰৰ ফেব্ৰুৱাৰী মাহত এখন মছজিদ নিৰ্মিত হৈছে ।উক্ত মছজিদ নিৰ্মাণত ছকুৰ বাসিন্দা সকলে বৰ আগ্ৰহেৰে আগভাগ লৈছে ।লগতে আৰ্থিক বৰঙনিও আগবঢ়াইছে ।নিজে নিজে বিনামুলীয়া শ্ৰমদান কৰি মছজিদৰ কাম সম্পন্ন কৰিছে । মহিলা সকলে দুৰৰ পৰা পানীৰ যোগান ধৰিছে ।গাওঁখনৰ সভাপতি চাহাবে কয় যে উক্ত মছজিদখন অঞ্চলবাসীৰ বাবে শান্তি পুৰ্ণ ইছলামৰ এখন আবাসস্থল । উক্ত ঠাইখনৰ চিফজনে কয় যে উক্ত মছজিদখন আল্ডাৰজিনৰ বংশধৰ সকলৰ বাবে নিশ্চিত ভাবে এটা বস্তি (স্বৰুপ) । এই অঞ্চলৰ লোকসকল ধৰ্মীয় শিক্ষা দীক্ষাৰ সৈতে গভীৰ সম্পৰ্ক ৰাখে । মইও এটা সময়ত মুৰ্তি পুজাৰী আছিলো কিন্তু আজি মই আহমদীয়তৰ অনুদানত তৌহিদৰ অনুসৰণ কাৰী হৈ পৰিছো ।মই আপোনালোকক অতি বিশ্বাসেৰে নিশ্চয়তা দিব পাৰো যে এই জমাত সত্য আৰু ভাল পোৱাৰ এটা জীৱন্ত আদৰ্শ । জমাত আহমদীয়াৰ অনুপ্ৰেৰনাত মই এয়া ভাৱো যে মই যেনিবা এজন ৰজা কিন্তু মোৰ ওপৰত এজন মহাপৰাক্ৰম সম্ৰাট আছে যাৰ ইবাদত কৰা সকলোৰে বাবে কৰ্তব্য ।হুযুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এনেকুৱা চিন্তাধাৰা একমাত্ৰ আল্লাহ তায়লাহে মানুহৰ মগজত সৃষ্টি কৰে যে জমাত আহমদীয়াৰ বাৰ্তা সত্য আৰু ইছলামৰ শিক্ষাও সত্য আৰু এয়াই প্ৰকৃত শিক্ষা । যিবোৰ আজি জমাত আহমদীয়াই পৃথিৱীত সিঁচৰিত কৰি আছে ।এই শিক্ষাৰ জৰিয়তেই লোক মুশৰিকৰ পৰা মোসদ লোকত পৰিণত হৈ আছে । বেনিনৰ এজন মুৱাল্লিম চাহাবে লিখিছে যে ৰেডিঅত তবলিগি প্ৰগ্ৰাম চলাকালীন অৱস্থাত এদিন গানাওণ্ট ইৰেক নামৰ বন্দু এজনে ফোন কৰে । তেওঁ মোক তাৰ গাৱঁলৈ তবলিগৰ বাবে আমন্ত্ৰন জনায় ।তেওঁ ফোনত মোক তাৰ ঠিকনা কৈ থকা সময়তে ফোন লাইন কাটি যায় ।এদিন আমি তবলিগৰ উদ্দেশ্যত এখন গাৱঁলৈ সোমাই যাও,এজন মানুহে আমালোকক দেখা পাই থিয় দি মাত দিয়ে যে আপোনালোকে এই ফালে আহক । যাক আমি প্ৰত্যেক দিন ৰেডিওত শুনিছিলো সেয়া আজি আমাৰ গাৱঁত আহি পাইছে ।এনেদৰে সেই গাঁৱখনত তবলিগৰ ফলশ্ৰুতিত দুশতকৈ অধিকলোকে বয়াত গ্ৰহন কৰে আৰু তাত এখন নতুন জমাত গঠিত হয় ।হুযুৰ আনোৱাৰ (আইঃ)য়ে কয় যে সেই সকল লোকৰ ঈমান প্ৰগাঢ়তা সম্পৰ্কে শুনক ।সেই লোক সকলে বয়াত গ্ৰহন কৰাৰ দুদিন পিছত ধুমুহা বতাহ বৰষুণৰ ফলত ইৰেক চাহাবৰ ঘৰৰ বেৰ ভাঙি পৰি তাৰ আঠ মহীয়া লৰা এজনৰ মৃত্যু হয় । সেই গাওঁখনৰ মুৰ্ত্তি পুজাৰী সকলে কবলৈ ধৰে যে চোৱা,এই জমাতৰ অৰ্ন্তভুক্ত হোৱাৰ লগে লগেই বিপদ আহিবলৈ আৰম্ভ কৰিছে ।উত্তৰত ইৰেক চাহাবে কয় যে মই যি সত্যতা দেখিবলৈ পাইছো তাৰ ওপৰত বিশ্বাস স্থাপন কৰিছে,সন্তান আৰু ধনদৌলত খোদা তায়লা দিয়ে আৰু তেৱেঁই ওভতাই নিয়ে ।মই কেতিয়াও জমাতৰ পৰা পিছহুহকি নাযাও ।যি হয় হৈ থাকক । মই জমাত গ্ৰহন কৰিছো ।মই আহমদী হৈছো আৰু ইনশা আল্লাহ মৃত্যুৰ সময়লৈকে আহমদী হৈয়ে থাকিম ।যিয়েই নহওক এয়া হল ঈমানৰ দৃঢ়তা,যি হজৰত মছিহ মাওউদ আঃৰ জৰিয়তে আল্লাহ তায়লা মানুহৰ

হৃদয়ত জন্ম দিছে ।ইৰেক চাহাবে নিজৰ মাটি এডোখৰ মছজিদ স্থাপনৰ বাবে দান কৰিছে,অতি সোনকালে কোৰান কৰিমৰ ক্লাচ হোৱাৰ ব্যাৱস্থার্থে চালপিৰা এখন বনাই দিয়ে।আল্লাহ তায়লা এনেদৰে আহমদীয়ত আৰু প্ৰকৃত ইছলামৰ বাৰ্তা প্ৰচাৰৰ বাট মুকলি কৰি দিয়ে ।

তানজানিয়াৰ মোবাল্লিগে লিখিছে যে ছিয়াঙ্গাৰ জিনৰ এখন গাৱঁত এই বছৰ এখন নতুন জমাত গঠিত হয় ।ইয়াৰেচুবুৰীয়া গাও ৰেজিনত এখন তবলিগি প্ৰগ্ৰাম অনুষ্ঠিত হয় ।ইতিমধ্যে এজনী মহিলা আহি উপস্থিত হয় আৰু জমাতৰ বাৰ্তা শুনি কয় যে আপোনালোকে আমাৰ গাৱঁতো ইছলামৰ বাৰ্তা দিবলৈ যাব কাৰণ তাত কিছুমান মুছলমান আছে আৰু তেওঁলোকৰ এখন মছজিদ আছে । কিন্তু যি ইছলামৰ কথা  আপোনালোকে কৈ আছে সেয়া তেওঁলোকৰ ইছলামৰ পৰা সম্পূৰ্ন ভিন্ন ।এনেদৰে যেতিয়া আমালোকৰ মোৱাল্লিম সকলে গৈ আহমদীয়তৰ বাৰ্তা দিয়ে তেতিয়া প্ৰথম দিনেই মছজিদৰ ঈমামৰ সৈতে ৯৩ জন মানুহে জমাত গ্ৰহন কৰে । এই ঘটনা সেই অঞ্চলৰ ছুন্নী মৌলভী এজনে জানিব পাৰি সেই গাঁৱলৈ যায় আৰু কয় যে তোমালোকে পথভ্ৰষ্ট হৈ পৰিছা কাৰণ এওঁলোক মুছলমান নহয়।উত্তৰত নতুন আহমদী সকলে কয় যে আমি সেই বোৰ ভাবি চিন্তিয়ে আহমদীয়ত গ্ৰহন কৰিছো ।এয়াই প্ৰকৃত ইছলাম আমালোকে তোমাৰ কথা শুনাৰ প্ৰয়োজন নাই ।

বেনিনৰ আমিৰ চাহাবে লিখিছে যে বহেকিও ৰেজিনৰ এখন জমাতত আমাৰ মছজিদ নিৰ্মিত হৈছে ।ইয়াত মাৰ্চ ২০১৫ চনত জমাতৰ প্ৰচাৰ হয় আৰু ২৪৫ জন লোক জমাত ভুক্ত হয় । তেতিয়াৰে পৰাই বিৰুধীতাও আৰম্ভ হয় ।সেই খন গাৱঁৰ ঈমাম চাহাবে আৰু বিভিন্ন ঈমাম সকলক মাতি আনি জমাতৰ বিৰুদ্ধে গণ্ডগোলৰ সৃষ্টি কৰে ।উক্ত জমাতত মছজিদ নিৰ্মান আৰম্ভ কৰাৰে পৰা  মৌলভী সকলে বিৰুধীতা চলাই আছে ।তেওঁলোকে মানুহক কয় যে আহমদী সকলৰ মছজিদত নমাজ পঢ়াতকৈ কোনো গীৰ্জাতি গৈ নমাজ পঢ়ি লোবা । সকলো বিৰুধিতা চেৰ পেলাই আল্লাহ তায়লা গাওঁখনত মছজিদ নিৰ্মানৰ তৌফিক দান কৰে ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আল্লাহ তায়লা সপোনৰ জৰিয়তেও সহায় কৰি আহিছে । আইভৰি কোষ্টৰ ছান পেয়দৰ জিনৰ জোনাম আহমদ নামৰ বন্ধু এজনে বয়াত গ্ৰহন কৰে । মানুহজন ঈছাই আছিল কিন্তু পিছত মুছলমান হৈ ওৱাহাবী ফিৰকাৰ সৈতে মিলি গৈছিল । তেওঁ কয় যে;মই ইছলাম গ্ৰহন কৰাৰ পিছত নমাজ শিকিছো, নিয়মিত মছজিদত গৈ নমাজ পঢ়া আৰম্ভ কৰি দিওঁ । ইয়াৰ মাজতেই মই দুবাৰ সপোনত এজন বুজুৰ্গক দেখিবলৈ পাওঁ । সপোনতেই মই জানিব পাৰো যে এইজন ব্যাক্তি খোদা তায়লাৰ প্ৰেৰিত নবী ।মই ভাৱিছিলো যে সম্ভৱত হজৰত মহম্মদ (ছাঃ) ৰ জিয়াৰত (দৰ্শন) লাভ হ'ল । কিছুদিন পিছত আকৌ সপোনত দেখিবলৈ পাওঁ যে উক্ত বুজুৰ্গ জনৰ ছবি টি.ভিত আহি আছে লগতে কোনোবাই কোৰ'আন কৰিম পাঠ কৰি আছে । তলত ফ্ৰঞ্চ ভাষাত লিখা উঠি আছে **মিছন ইছলামক আহমদীয়া** । উক্ত সপোন দৰ্শনৰ পিছত মই মছজিদৰ ইমাম চাহাবক জমাত আহমদীয়াৰ বিষয়ে সুধিলো । প্ৰথম অৱস্থাত ইমাম চাহাবে কথা ঘুৰাই পকাই কোৱাৰ চেষ্টা কৰে কিন্তু মই জোৰ দিয়াৰ পিছত কয় যে এওঁলোকে আহমদী হয় । এওঁলোক মুছলমান নহয় । তোমাৰ কি হৈছে ? কোনে তোমাক উচটাই ছে ? কিয় তুমি তোমাৰ ইছলামক নষ্ট কৰিবলৈ উঠি পৰি লাগিছা ? তেওঁ মৌলভী চাহাবক উত্তৰ দিয়ে যে মোক কোনেও উচটনি দিয়া নাই । মই এতিয়া লৈকে কোনো আহমদীক লগ পোৱা নাই । মোক খোদা তায়লায় আহমদীয়াতৰ বাট দেখুৱাইছে । ঘৰত আহি মোৰ ব্যাকুলতা আৰু বাঢ়ি যাবলৈ আৰম্ভ কৰিলে । তেওঁ কয় যে কোন লোক সকলে আহমদী আৰু ইমাম চাহাবে তেওঁলোকক কিয় কাফিৰ বুলি কয়, এই বিষয়ে মই খোদা তায়লাৰ ওচৰত বহুত দোৱা কৰিবলৈ ধৰিলো যে হে খোদা তুমি মোক সঠিক বাট দেখুৱাই দিয়া । মই মোৰ ওচৰ চুবুৰীয়া সকলক জমাতৰ বিষয়ে সুধিবলৈ ধৰিলো কিন্তু কোনো সম্ভেদ উলিয়াব নোৱাৰিলো । অৱশেষত এদিন মোৰ বন্ধু এজনে কলে যে দিলৱা চহৰত আহমদী মানুহ আছে । এনেদৰে মই লোকক সুধপোছ কৰি এদিন চহৰৰ  হাউচত গৈ উপস্থিত হ'লো । মিছন ইনচাৰ্জ চাহাবৰ পৰা জমাতৰ আদ্যা পান্ত পৰিচয় শুনিলো । উক্ত মিচন হাউচত হজৰত মছিহ মাউওদ (আঃ) ৰ ছবি আঁৰি থোৱা দেখিবলৈ পাই মই বৰ আচৰিত হ'লো আৰু মিচন ইনচাৰ্জ চাহাবক সুধিলো, তেওঁ উত্তৰত কলে যে এইজনেই ইমাম মাহদী আৰু যুগৰ মছিহ এনেদৰে মই তেতিয়াই আহমদীয়াত গ্ৰহন কৰিলো ।

আকৌ বেলজিয়মৰ মোবাল্লিগ ইনচাৰ্জ চাহাবে লিখিছে যে ইদ্ৰিছ চাহাব এজন নতুন আহমদী। তেওঁ সপোনত এদিন এজন বুজুৰ্গক দেখা পায় তাৰ দুবছৰ মান পিছত টি.ভি ৰ বিভিন্ন চ্যানেল সাল-সলনি কৰাৰ সময়ত হঠাতে এম.টি.এ চ্যানেলত চকু পৰে আৰু তাত হজৰত মছিহ মাওউদ (আঃ) ৰ ছবি দেখিবলৈ পায়। লগে-লগে তেওঁ সপোনত দেখা পোৱা বুজুৰ্গ হুবহু চিত্ৰ এইজন বুজুৰ্গ বুলি মনত পৰে। তেওঁ নিয়মিত ভাৱে এম.টি.এ দেখিবলৈ ধৰে আৰু লাহে-লাহে তাৰ মন আহমদীয়াতৰ ফালে ডাল খায়। অৱশেষত তেওঁ আহি বেলজিয়মৰ মিচন হাওচত উপস্থিত হয় আৰু কয় যে মই বয়াত কৰিবলৈ আহিছো। মুৰব্বী চাহাবে তেওঁক জমাতৰ বিষয়ে ভালদৰে জানি বুজি লবলৈ কোৱাত তেওঁ উত্তৰত কয় যে মই মোৰ সকলো প্ৰশ্নৰ উত্তৰ পাই গৈছো। এনেদৰে তেওঁ বয়াত গ্ৰহন কৰে। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এতিয়া চাওক; যেনেকৈ মই কৈছো যে যদি আল্লাহ তায়লা আফ্ৰিকাৰ সুদুৰ প্ৰান্তলৈ মানুহৰ হৃদয়ৰ দ্বাৰ উন্মোচন কৰিবলৈ লৈছে তেন্তে ইউৰোপৰ লোকৰও উন্মোচন কৰিবলৈ লৈছে।

আল্লাহ তায়লাৰ এয়া অশেষ কৃপা যে; যেনেকৈ আমাৰ বিৰুদ্ধবাদী সকলে জমাতৰ কামত বাধা দিবলৈ চেষ্টা কৰি আছে আৰু বিৰুধীতাও বাঢ়ি গৈ আছে তেনেকৈ আল্লাহ তায়লাও বিৰুদ্ধবাদী সকলৰ মুখ বন্ধ কৰাৰ বাবে সকলো ব্যাৱস্থাপনাৰ সৃষ্টি কৰি আছে। লগতে নতুনকৈ আহমদীয়ত গ্ৰহন কৰালোক সকলৰ হৃদয়ত ঈমানৰ প্ৰগাঢ়তা বৃদ্ধি কৰি আছে।

আল্লাহ তায়লাৰ কৃপা কৰুণাৰ এনেকুৱা ঘটনা অলেখ আছে। আল্লাহ তায়লা যেন আমালোকক তাৰ দয়াৰ আঁচলত সদায় সমাবৃত ৰাখে আৰু আমি যেন আল্লাহ তায়লাৰ হ'ক আদায়কাৰী হ'ব পাৰো। আল্লাহ তায়লা যি দয়া আমালোকৰ ওপৰত বৰ্ষণ কৰিছে অৰ্থাৎ আহমদী হোৱাৰ তৌফিক দান কৰিছে তাত আল্লাহ তায়লা সকলোকে সুপ্ৰতিষ্ঠিত ৰাখক। আমালোকৰ বিশ্বাস আৰু ঈমান দিনক দিনে সুপ্ৰতিষ্ঠিত ভাৱে বৃদ্ধি কৰি থাকক। (আমিন)

**Assamese Khulasa Khutba Jumma Huzoor Anwar 26th August 2016**

**BOOK POST (PRINTED MATTER)**

**To**

____________________

____________________

____________________

**From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890**